# ধিং মহাবিদ্যালয়

# অসমীয়া বিভাগ

নগাঁও জিলাৰ উত্তৰ-পশ্চিম অঞ্চলৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ধিং মহাবিদ্যালয়। ধিংবাসী ৰাইজ আৰু কিছু স্বনামধন্য, দূৰদৰ্শী, সচেতন আৰু দায়িত্বশীল ব্যক্তিৰ আৰ্থিক, শাৰীৰিক, মানসিক প্ৰচেষ্টাত ১৯৬৫ চনৰ ২০ জুলাই তাৰিখে প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনে সগৌৰৱেৰে হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। কলা, বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা শাখাৰে সমৃদ্ধ মহাবিদ্যালয়খনৰ অন্যতম প্ৰধান বিভাগ হৈছে অসমীয়া বিভাগ। ধিং মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা অভিন্ন অংগ হিচাপে এই বিভাগে সেৱা আগবঢ়াই আহিছে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিকাশৰ লগতে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু বৌদ্ধিক উত্তৰণৰ বাবে এই বিভাগে প্ৰতিষ্ঠা কালৰে পৰাই প্ৰচেষ্টা অব্যাহত ৰাখিছে। বৰ্তমানলৈকে এই বিভাগত মুঠ ১৬ গৰাকী অধ্যাপক-অধ্যাপিকাই অধ্যাপনা কৰিছে। সম্প্ৰতি ৪ গৰাকী অধ্যাপক-অধ্যাপিকাই নিষ্ঠা আৰু দায়বদ্ধতাৰে শিক্ষাদান কৰি আছে। গুণগত আৰু প্ৰাসংগিক ব্যৱহাৰিক শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাক অনুধাৱন কৰা এই বিভাগৰ পৰা প্ৰত্যেক বছৰে একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰ সুযোগ লাভ কৰি আহিছে। আনহাতে এদল শিক্ষাৰ্থীয়ে সময়োপযোগী বিভিন্ন কাৰিকৰী আৰু ব্যৱহাৰিক পাঠ্যক্ৰমত নিজকে নিয়োজিত কৰিবলৈ সক্ষম হৈছে। এই বিভাগত শিক্ষা গ্ৰহণ কৰা বহু শিক্ষাৰ্থীয়ে অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষকতা কৰি আছে আৰু কিছু সংখ্যকে ইতিমধ্যে অৱসৰো গ্ৰহণ কৰিছে। দেশ মাতৃৰ সুৰক্ষাৰ স্বাৰ্থত সৈনিক হিচাপে নিয়োজিত বহু ছাত্ৰ-ছাত্ৰী এই বিভাগৰ আছে। চৰকাৰী আৰু বে-চৰকাৰী বিভিন্ন বিভাগতো বিভাগৰ বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে দায়িত্ব সহকাৰে সেৱা আগবঢ়াই আহিছে।